স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

14 ☐ NO-312 ☐ SUNDAY 19 JANUARY 2025 (ডিব্ৰুগড় সংস্কৰ

অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ বদান্যতা

# পিতৃ হৰিপদ শইকীয়াৰ স্মৃতিত মাজুলী কলেজত দান দিলে শ্ৰেণীকক্ষ

**বিশেষ বাৰ্তা, মাজুলী, ১৮ জানুৱাৰী ঃ** 'পৰোপকাৰী চিন্তাহে মানুহৰ শ্ৰেষ্ঠ ধৰ্ম। দয়ালু মানুহৰ গুণানুকীৰ্তনে সমাজৰ কল্যাণ সাধিত কৰে। মানুহ শ্ৰেষ্ঠ হ'ব পাৰে হৃদয়ানুভূতিৰ দুৱাৰখন খুলি দি, সকলোকে সম-মৰ্যাদা প্ৰদান কৰি। পিতৃৰ প্ৰতি তৰ্পণ কৰা কৰ্মই ড° শশীকান্ত শইকীয়াৰ মহান হৃদয়ানুভূতিৰ পৰিচয়কে জ্ঞাপন কৰিলে।' মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা বৰ্তমান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ অৰ্থসাহায্যৰে তেওঁৰ পিতৃ হৰিপদ শইকীয়াৰ স্মৃতিত নিৰ্মিত এটি বিশেষ শ্ৰেণীকোঠাৰ দ্বাৰ উদ্‌ঘাটন কৰি আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামীয়ে এইদৰে কয়। এই উদ্দেশ্যে মহাবিদ্যালয়ৰ সত্ৰাধিকাৰ পদ্মকান্ত দেৱগোস্বামী সভাকক্ষত দিনৰ ১ বজাৰ পৰা অনুষ্ঠিত আড়ম্বৰপূৰ্ণ সভাত সভাপতিত্বত কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। সভাৰ আৰম্ভণিতে বিশিষ্ট ব্যক্তিসকলক মহাবিদ্যালয়ৰ পৰিয়ালৰ তৰফৰ পৰা আদৰণি জনোৱা হয়। মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া আৰু প্ৰীতিৰেখা গগৈয়ে আঁত ধৰা সভাখনত শ্ৰেণীকোঠাটিৰ দ্বাৰ উদ্‌ঘাটন কৰে আউনীআটীয় সত্ৰাধিকাৰ তথা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° পীতাম্বৰ দেৱগোস্বামীয়ে। সভাত উপস্থিত থাকি শ্ৰেণীকোঠটিৰ দাতা অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয় যে দানকৰ্ম মানুহৰ জীৱনৰ ধৰ্ম হোৱা উচিত। বহুদিনৰ মূৰত মাজুলী মহাবিদ্যালয়ত উপস্থিত হৈ পৰম তৃপ্তি উপলব্ধি কৰা বুলিও তেওঁ উল্লেখ কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে স্কটলেণ্ডৰ যুক্তৰাষ্ট্ৰ শাখা সাহিত্য সভাৰ উপ-সভাপতি তথা 'স্নেহবন্ধন'ৰ উপ-সভাপতি নিৰলা বৰুৱা আৰু ডিব্ৰুগড়ৰ বিশিষ্ট সমাজকৰ্মী লাল প্ৰধান। সমাজকৰ্মী লাল প্ৰধানে মাজুলী মহাবিদ্যালয়লৈ দহ হাজাৰ টকাৰ গ্ৰন্থদানৰ কথা সভাত ঘোষণা কৰে। সভাপতিৰ মন্তব্যত অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়— 'জ্ঞান মন্দিৰত পিতৃক প্ৰতিষ্ঠা কাৰ্য অত্যন্ত প্ৰশংসনীয়, যিটো সম্পন্ন কৰি ড° শশীকান্ত শইকীয়াই এক মহৎ আদৰ্শ দেখুৱালে।' অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি ড° ৰাজেন চন্দ্ৰ বৰা, জ্যেষ্ঠ অধ্যাপক অজয় প্ৰসাদ সিং, মায়াশ্ৰী ডেকা হাজৰিকা, গীতাৰাণী গোস্বামী, ইন্দিৰা বড়া, ড° ৰূপজ্যোতি বৰা, ড° ব্ৰজেন চন্দ্ৰ নেওগ, বিপুল ৰাজখোৱা, তুলসী ৰাজখোৱা, প্ৰণীতা ৰাজখোৱা, সুৰেন দাস, বসন্ত বৰা, বিশিষ্ট শিক্ষাবিদ নৰেন চন্দ্ৰ ঠাকুৰীয়া, ভোলা বৰা, আৰতি বৰা, ড° আনন্দ হাজৰিকা, অমৃতেশ্বৰ চুতীয়া, কমল চন্দ্ৰ শইকীয়া, ৰামেশ্বৰ দলে, নৰনাথ হাজৰিকা, লক্ষ্মীনাৰায়ণ ব্যাস, লোহিত বৰা, ডিম্বেশ্বৰ দত্ত, দিলীপ বৰা, সমাজকৰ্মী যোগেন দত্ত বায়ন, দুৰ্গেশ্বৰ বৰা, যুগল হাজৰিকা, সনাতন তামুলী, গোবিন বৰুৱা, ৰুবি বৰা সভাপণ্ডিত, জিতেন নেওগ, দীপক নেওগ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

---

শিল্পী দিৱস
ক কাৰ্যসূচীৰে
শিল্পী দিৱসৰ
ঠনটোৰ তৰফৰ
ক্ৰমে খোৱাঙৰ
গী (গগৈ) আৰু
ৰ মেঘ চুতীয়াক
সম্বৰ্ধনা জনোৱা
দৰ সভাপতিৰ
া এই কাৰ্যসূচীত
উপ-সভাপতি
খোৱাং সমষ্টি
চাংমাই, অতুল
, যুৱ পৰিষদৰ
কা, জিলা উপ-
উপস্থিত থাকে।

ASTES

6 invites
C for SC
dary Wall
er SOPD-
in similar

lable at
2025 upto

Director,
SC Ltd.

ডিন স
দ্ধিমত

1 kg